# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-09-2024
**Time :** 07 55 Hrs

***<u>Assamese Morning Bulletin</u>***
**:::::::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ কেইবাখনো জিলাত আজি অনুষ্ঠিত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত মুঠ ৭ লাখ ৩৪ হাজাৰ ৮০ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ চালক পদৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰে এই পৰীক্ষা স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ লগতে পৰীক্ষা প্ৰক্ৰিয়াত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে পৰীক্ষা চলি থকা সময়ছোৱাত সমগ্ৰ ৰাজ্যখনতে পুৱা চাৰে আঠ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ মোবাইল ইণ্টাৰনেট বা মোবাইল ডাটা সংযোগ ব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে।

উল্লেখযোগ্য যে আজি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰে চাৰি বজালৈ চালক পদৰ পৰীক্ষা অনুষ্ঠিত হ'ব। তৃতীয় বৰ্গৰ মুঠ ৪ হেজাৰ ৫৫টা পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু চালক পদৰ বাবে মুঠ ৮১৮ টা পদৰ পৰীক্ষাত ২ লাখ ৪ হেজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হব। পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে যাৱতীয় নীতি নিৰ্দেশনা জাৰি কৰিছে।

এই সন্দৰ্ভত আয়োগে জাৰি কৰা জাননী অনুসৰি পৰীক্ষাকেন্দ্ৰত প্ৰৱেশৰ সময়ত আৰক্ষী বা কৰ্তৃত্বশীল ব্যক্তিৰ দ্বাৰা প্ৰাৰ্থীসকলক মেটেল ডিটেক্টৰৰ লগতে হাতেৰে স্বাভাৱিকভাৱে তালাচী চলোৱা হ'ব। এই ক্ষেত্ৰত কোনো প্ৰাৰ্থীক যদি তালাচী চলোৱাৰ সময়ত প্ৰাৰ্থীগৰাকী অসুবিধাৰ সন্মুখীন হ য়, তেন্তে সংশ্লিষ্ট প্ৰাৰ্থীগৰাকীয়ে তাৎক্ষণিকভাৱে কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক অৱগত কৰাব পাৰিব। প্ৰৱেশপত্ৰ, বৈধ পৰিচয়পত্ৰ অবিহনে কোনো প্ৰাৰ্থীকে পৰীক্ষাকেন্দ্ৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰা হৈছে। পৰীক্ষা অন্ত পৰাৰ পিছত প্ৰাৰ্থীসকলে প্ৰশ্নকাকতখন নিজৰ লগত আনিব পাৰিব। লগতে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত প্ৰদান কৰা OMR শ্বিটখনত থকা ৰোল নম্বৰ উত্তৰ কৰাৰ পূৰ্বে সঠিকভাৱে পৰীক্ষা কৰিবলৈ প্ৰাৰ্থীসকলক কোৱা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত-বিনিময় কৰিব। এয়া হ'ব এই অনুষ্ঠানৰ ১১৪ সংখ্যক খণ্ড তথা প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত চতুৰ্থটো খণ্ড।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটি প্ৰচাৰ হোৱাৰ ঠিক পাছতেই আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত অহা ১৩ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ আৰম্ভ হ'ব। বিগত বৰ্ষৰ বিশেষ সাফল্যৰ পাছত এই বছৰো তৃণমূল পৰ্যায়ৰ প্ৰতিযোগীৰ অংশগ্ৰহণ, ন ন প্ৰতিযোগী সৃষ্টি তথা ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্যক আগবঢ়াই নিয়াৰ লক্ষ্যৰে এই খেল মহাৰণৰ আয়োজন কৰা হৈছে। এথলেটিকছ, ফুটবল, কাবাডী, ভলীবল, দবা খেল, সাঁতোৰ, চাইকেল চলোৱা আদিকে ধৰি কেইবাটাও শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এইবাৰৰ খেল মহাৰণত কেইবা বিধো নতুন খেল অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বাবে কাইলৈৰ পৰা পঞ্জীয়ন আৰম্ভ হ'ব। অংশগ্ৰহণকাৰীসকলে **খেল মহাৰণ এপ** অথবা www.dsywassam.com/khel ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব।

0000000

ভাৰত আৰু বাংলাদেশৰ মাজত কানপুৰৰ গ্ৰীন পাৰ্কত চলি থকা দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত বাংলাদেশে প্ৰথম ইনিংছত তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১০৭ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

কালি দ্বিতীয় দিনা খেল বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়। উল্লেখযোগ্য যে, বাংলাদেশে প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ লাভ কৰি প্ৰথম দিনাৰ খেলৰ অন্তত তিনি উইকেটৰ বিনিময়ত ১০৭ ৰান কৰিছিল। বাংলাদেশৰ হৈ মমিউল হকে ৪০ ৰাণ আৰু মুছফিকুৰ ৰহিমে ৬ ৰাণ কৰি খেলি আছিল। ঘৰুৱা দল ভাৰতৰ হৈ আকাশ দীপে দুটা আৰু ৰবিচন্দ্ৰন অশ্বিনে এটা উইকেট দখল কৰে। ভাৰতে ইতিমধ্যে চেন্নাইত অনুষ্ঠিত প্ৰথমখন টেষ্টত ২৮০ ৰানত জয়লাভ কৰি শৃংখলাটোত অগ্ৰগতি লাভ কৰিছে।

0000000

জাপানত অনুষ্ঠিত World Athletics Continental Tour‍ত পুৰুষৰ পাঁচ হাজাৰ মিটাৰ দৌৰত ভাৰতৰ ২৬ বছৰীয়া এথলীট গুলবীৰ সিঙে সোণৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে ১৩ মিনিট আৰু ১১ দশমিক ৮-২ ছেকেণ্ডৰ নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িবলৈ সক্ষম হয়। গুলবীৰ সিঙে ১৩ মিনিট আৰু ১৮ দশমিক ৯-২ ছেকেণ্ডৰ নিজৰেই পূৰ্বৰ অভিলেখ ভংগ কৰে। ইয়াৰ পূৰ্বে ভাৰতৰে অবিনাশ ছেবলে এই শিতানত অভিলেখ গঢ়িছিল।

চলিত বৰ্ষৰ মাৰ্চত গুলবীৰে কেলিফৰ্নিয়াত অনুষ্ঠিত টেন ট্ৰেক মিটত পুৰুষৰ ১০ হেজাৰ মিটাৰৰ অভিলেখ ভংগ কৰিছিল।

0000000

**সমাপ্ত**